**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***<u>HEADLINES</u>***

১। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি উত্তৰ প্ৰদেশৰ গোৰখপুৰত এখন সৈনিক স্কুল মুকলি কৰে।

২। মণিপুৰৰ বিভিন্ন অঞ্চলত আজি নিচেই পুৱা সংঘটিত গুলিয়াগুলিৰ ঘটনাত ৬জন লোকৰ মৃত্যু হৈছে আৰু আন কেইবাজনো আহত হৈছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ উৎসৱ গণেশ চতুৰ্থী উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে।

৪। জম্মু-কাশ্মীৰত নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ অভিযোগত ৯খন এফ আই আৰ পঞ্জীয়ন কৰিছে।

৫। প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ, ২০২৫ৰ বাবে ১৫ ছেপ্তেম্বৰক মনোনয়ন দাখিল কৰাৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

***আৰু***

৬।ভাৰতে চলিত পেৰিচ-পেৰা অলিম্পিকত বৰ্তমানলৈকে ২৭টা পদক লাভ কৰিছে।

০০০০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি উত্তৰ প্ৰদেশৰ গোৰখপুৰত এখন সৈনিক স্কুল মুকলি কৰে। এই অনুষ্ঠানত উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে শিক্ষাই পৰিবৰ্তন আনে আৰু সমাজৰ পৰা অপকাৰী অনুশীলনসমূহ দূৰ কৰে। তেওঁ নিজে চিতোৰগড়ৰ সৈনিক স্কুলত পঢ়িছিল বুলি উল্লেখ কৰি শ্ৰীধনখড়ে কয় যে গোৰখপুৰ সৈনিক স্কুললৈ আহি তেওঁ আনন্দ অনুভৱ কৰিছে। তেওঁ নৱ নিৰ্মিত বিদ্যালয়খনৰ নিৰ্মাণ কাৰ্যৰ প্ৰশংসা কৰে আৰু কয় যে এইখন সৈনিক স্কুলত দেশৰ অন্যান্য সৈনিক তথা সামৰিক স্কুলৰ তুলনাত পৰ্য্যাপ্ত সা-সুবিধা আছে। শ্ৰীধনখড়ে বিফলতাক ভয় নকৰিবলৈ শিক্ষাৰ্থীসকলক আহ্বান জনাই কয় যে বিফলতাই হৈছে সাফল্যৰ আৰম্ভণি।

উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে বৰ্তামানৰ ভাৰত এখন পৰিবৰ্তিত ৰাষ্ট্ৰ আৰু কাশ্মীৰৰ পৰা ৩৭০ ধাৰা প্ৰত্যাহাৰকে ধৰি বহুতো কঠোৰ সিদ্ধান্ত বৰ্তামানৰ চৰকাৰে গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে ভাৰতৰ গণতান্ত্ৰিক প্ৰমূল্যক চুবুৰীয়া দেশসমূহৰ সৈতে তুলনা কৰা নাযায়।

এই অনুষ্ঠানত অংশগ্ৰহণ কৰি উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কয় যে গোৰখপুৰ, নেপাল, পশ্চিম বিহাৰ আৰু পূৰ্বাঞ্চল অঞ্চলৰ তিনিকোটি লোকৰ বাবে শিক্ষা আৰু স্বাস্থ্যৰ কেন্দ্ৰ হৈ পৰিছে।

উপৰাষ্ট্ৰপতিগৰাকীয়ে পত্নীসহ গোৰখধাম মন্দিৰ পৰিদৰ্শন কৰে। পাছত তেওঁ চিত্ৰকূট ৰাজ্যিক বিশ্ববিদ্যালয়ত আয়োজিত এখন ৰাষ্ট্ৰীয় চেমিনাৰত অংশ গ্ৰহণ কৰে।

০০০০০০

মণিপুৰৰ বিভিন্ন অঞ্চলত আজি নিচেই পুৱা সংঘটিত গুলিয়াগুলিৰ ঘটনাত ৬জন লোকৰ মৃত্যু হৈছে আৰু আন কেইবাজনো আহত হৈছে। আজি পুৱা ৰাজ্যখনৰ জিৰিবাম জিলাত ঘৰত শুই থকা অৱস্থাতে এজন লোকক সন্দেহযুক্ত উগ্ৰপন্থীয়ে মৃৰত গুলিয়াই হত্যা কৰে। পাছত জিৰিবাম থানাৰ অধীনস্থ নাংচেপিত দুটা গোটৰ মাজত গুলিয়াগুলি হয়। এই ঘটনাত তিনিজন সন্দেহযুক্ত উগ্ৰপন্থীকে ধৰি চাৰিজল লোকৰ মৃত্যু হয়। কালছিং জিলাৰ তাংজেং খুনজাওত হোৱা গুলিয়াগুলিৰ ঘটনাত দুজন লোক আহত হয়। তেওঁলোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। আনহাতে কালি মইৰাং নগৰত স্থানীয়ভাৱে নিৰ্মিত ৰকেট বোমাৰ বিস্ফোৰণত এজন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ৫জন আহত হয়। এই ঘটনাত পাছত নিশা বহুসংখ্যক লোকে মণিপুৰ ৰাইফলছ বেটেলিয়ানৰ দুটা শিবিৰ ঘেৰাও কৰি অস্ত্ৰ-শস্ত্ৰ আৰু গুলি-বাৰুদ লুট কৰাৰ চেষ্টা কৰে। নিৰাপত্তা বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হয়।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ উৎসৱ গণেশ চতুৰ্থী উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে এই উৎসৱ দেশৰ ভিন্ন প্ৰান্তত সামূহিক উৎসাহ উদ্দীপনাৰে উদযাপন কৰি অহা হৈছে আৰু বৰ্তমান এই উৎসৱ সামাজিক শক্তিৰ প্ৰকৃষ্ট উদাহৰণ হৈ উঠিছে। তেওঁ লগতে কয় যে ভাৰতীয় পৰম্পৰাত উভগৱান গণেশক বিঘিনি নাশক হিচাপে গণ্য কৰা হয় আৰু সকলোকে দুৰ্যোগ মুক্ত কৰি সমৃদ্ধিশালী কৰি তোলাৰ বাবে গণেশক প্ৰাৰ্থনা জনোৱা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও গণেশ চতুৰ্থী উপলক্ষে দেশবাসীক আন্তৰিক শুভেচ্ছা জনাইছে আৰু সকলোৰে সমৃদ্ধিৰ বাবে গণেশ দেৱতাক প্ৰাৰ্থনা জনাইছে।

০০০০০

জম্মু-কাশ্মীৰত নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ অভিযোগত ৯খন এফ আই আৰ পঞ্জীয়ন কৰিছে। আয়োগে ৰাজনৈতিক কাম-কাজত জৰিত থকাৰ অভিযোগত ৫গৰাকীকৈ চৰকাৰী কৰ্মচাৰীক নিলম্বন কৰাৰ লগতে এনে ২৩টা গোচৰত সতৰ্কতা জাৰি কৰাৰ লগতে ৪৮টাকৈ গোচৰৰ তদন্ত আৰম্ভ কৰিছে। আকাশবাণীৰ সংবাদদাতাই জম্মু-কাশ্মীৰৰ নিৰ্বাচনী আয়ুক্তৰ কাৰ্যালয়ৰ উদ্ধৃতিৰে কয় যে ২০২৪ চনৰ ১৬ আগষ্টৰ পৰা নিৰ্বাচনী বিধি বলবৎ হোৱাৰে পৰা কেন্দ্ৰীয় শাসিত অঞ্চলটোত ১৭৫ টাকৈ নিৰ্বাচনী আচৰণবিধি উলংঘা হোৱাৰ ঘটনা পোহৰলৈ আহিছে। ইয়াৰে ৰাজনৈতিক দলসমূহে ৯৬টা বিধি উলংঘাৰ ঘটনা সংঘটিত কৰাৰ বিপৰীতে ৫৩গৰাকী চৰকাৰী কৰ্মচাৰীও নিৰ্বাচনী আচৰণবিধি উলংঘনত জৰিত হোৱাৰ তথ্য পোৱা গৈছে। আনহাতে দুগৰাকীকৈ সংবাদ কৰ্মী বিধি উলংঘনৰ ঘটনাত জৰিত থকাৰ লগতে আন ২৪টা ঘটনাৰ তথ্য পোহৰলৈ আহিছে। আনহাতে ৮৯টা ঘটনা ভিত্তিহীন আৰু মিছা বুলি জানিব পৰা গৈছে।

০০০০০

জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ পৰীক্ষা প্ৰক্ৰিয়া কালি সম্পূৰ্ণ হয়। সেই অনুসৰি এই পৰ্যায়ৰ বাবে ২৭৬খন মনোনয়ন পত্ৰ বৈধ বুলি বিবেচিত হোৱাৰ বিপৰীতে ৬২খন মনোনয়ন পত্ৰ নাকচ কৰা হৈছে। আমাৰ জম্মুৰ সংবাদাদাতাই জনোৱা অনুসৰি দ্বিতীয় পৰ্যায়ৰ বাবে ৩২৯খন মনোনয়ন পত্ৰ দাখিল হৈছিল। এই পৰ্যায়ত জম্মু আৰু কাশ্মীৰ অঞ্চলৰ প্ৰত্যেকৰে তিনিখন কৈ মুঠ ছখন জিলাৰ ২৬ টা বিধানসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন আছিল ৫ ছেপ্তেম্বৰ আৰু সোমবাৰ পৰ্যন্ত ইচ্ছুক প্ৰাৰ্থীয়ে  মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। দ্বিতীয় পৰ্যায়ত ২৫ ছেপ্তেম্বৰত ভোটগ্ৰহণ কৰা হ'ব। ইতিমধ্যে জম্মু-কাশ্মীৰত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তুঙ্গত উঠিছে।

০০০০০

ভাৰতৰ বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমাণ ৩০ আগষ্টত সমাপ্ত হোৱা সপ্তাহটোত ২০০ কোটিৰো অধিক ডলাৰ বৃদ্ধি পাই ৬৮ হাজাৰ ৩৯০ কোটি ডলাৰৰ অভিলেখ পৰ্যায় পাইছেগৈ। ভাৰতীয় ৰিজাৰ্ভ বেংকে কালি জাৰি কৰা তথ্য অনুসৰি বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধন একেৰাহে তৃতীয় সপ্তাহৰ বাবে বৃদ্ধি পাইছে। বিগত ৩ সপ্তাহত বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধন এহেজাৰ ৩৯০ কোটি ডলাৰ বৃদ্ধি পাইছে। এই সময়ছোৱাত মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমাণ ৮৬ কোটি ২০ লাখ ডলাৰ বৃদ্ধি পাই ৫৫ হাজাৰ ৯০০ কোটি হৈছে। একেদৰে বিশেষ আহৰণ অধিকাৰ এছ ডি আৰ আৰু ৯০ লাখ ডলাৰ বৃদ্ধি পাই এহেজাৰ ৮৪৭ কোটি ডলাৰৰ স্তৰত উপনীত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ, ২০২৫ৰ বাবে ১৫ ছেপ্তেম্বৰক মনোনয়ন দাখিল কৰাৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰতি বছৰে জানুৱাৰীত এই বঁটাসমূহ প্ৰদান কৰে। এই বছৰৰ বঁটা প্ৰাপকসকলৰ নাম ২৬ ডিচেম্বৰৰ বীৰ বাল দিৱসত ঘোষণা কৰা হ'ব। এই বঁটাৰ জৰিয়তে শিশুসকলৰ মাজত অন্তৰ্নিহিত শক্তি, দৃঢ়তা, যোগ্যতা আৰু উৎসাহক উদযাপন কৰাৰ  লক্ষ্য লোৱা হয়। এই বঁটাৰ বাবে ৫ বছৰ বয়সৰ উৰ্ধৰ আৰু ১৮ বছৰ বয়সৰ তলৰ শিশুৰ নাম ৰাষ্ট্ৰীয় পুৰস্কাৰৰ চৰকাৰী ৱেবছাইটত মনোনীত কৰিব পৰা যায়।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত পৰৱৰ্তী ৭ দিনত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে গুজৰাট, মহাৰাষ্ট্ৰ আৰু পূৱ ৰাজস্থানত অহা দুদিনত মূষলধাৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

০০০০০

পশ্চিমবংগৰ ৰাজ্যপাল চি ভি আনন্দ বসুৱে কেইবাটাও সুৰুঙা থকাৰ কথা উল্লেখ কৰি অপৰাজিতা বিধেয়ক খন ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰিছে। ৰাজ্যবিধানসভাত গৃহীত বিধেকখন খৰখেদাকৈ প্ৰস্তুত কৰা হৈছিল বুলি ৰাজ্যপালগৰাকীয়ে কালি সন্ধিয়া সামাজিক মাধ্যমৰ এটা বাৰ্তাত উল্লেখ কৰে। বিধেয়কখনৰ লগতে কাৰিকৰী প্ৰতিবেদন প্ৰেৰণ নকৰাতো ৰাজ্যিক সচিবালয়ৰ ব্যৰ্থতা বুলিও তেওঁ অভিহিত কৰে। আৰ জি কৰ হস্পতালৰ প্ৰসংগ উত্থাপন কৰি ৰাজ্যপালগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে বিধেয়কলৈ অপেক্ষা নকৰাকৈ ভুক্তভোগী আৰু তেওঁৰ পৰিয়ালক ন্যায় প্ৰদানৰ নিশ্চয়তা দিয়াতো কৰ্তব্য।

০০০০০

ভাৰতে পেৰিচ-পেৰা অলিম্পিকত বৰ্তমানলৈকে ২৭টা পদক লাভ কৰিছে। ইয়াৰে ৬টা সোণ, ৯টা ৰূপ আৰু ১২টা ব্ৰঞ্জৰ পদক। ভাৰতে পেৰিছ-পেৰা অলিম্পিকতে আটাই তকৈ বেছি পদক লাভ কৰিছে। হাই জাম্পাৰ প্ৰবীণ কুমাৰ, শ্বুটাৰ অৱনি লেখাৰা, জেৱলিন থ্ৰ'ৱাৰ ছুমীট আণ্টিল, আৰ্চাৰ হৰবিন্দৰ সিং, বেডমিণ্টন তাৰকা নীতেশ কুমাৰ আৰু ক্লাৱ থ্ৰ'ৱাৰ ধৰমবীৰ নেইন আদিয়ে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। সোণৰ পদক বিজয়ী আৰ্চাৰ হৰবিন্দৰ সিং আৰু স্প্ৰীণ্টাৰ পৃথ্বী পালে পেৰা অলিম্পিকত পদক লাভ কৰাৰ ক্ষেত্ৰত অভিলেখ স্থাপন কৰিছে আৰু তেওঁলোকে কাইলৈ সামৰণি উৎসৱত পেৰিছ অলিম্পিকত দেশৰ পতাকা তুলি ধৰিব। ভাৰতে ২০২০চনত ট'কিঅ'ত অনুষ্ঠিত পেৰা অলিম্পিকত ৫টাকৈ সোণৰ পদক লাভ কৰিছিল। ইফালে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিচ পেৰা অলিম্পিকৰ পুৰুষৰ শ্বট-পুটৰ এফ-৫৭ ইভেণ্টত ব্ৰঞ্জৰ পদক লাভ কৰা হ'কাটি হ'ট'ঝে চেমাক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে পেৰা অলিম্পিয়ানগৰাকীৰ কৃতিত্বত আলোকপাত কৰি কয় যে লেণ্ডমাইন বিস্ফোৰণৰ পৰা ৰক্ষা পৰা শ্ৰীচেমাই পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এয়া জাতিৰ বাবে গৌৰৱৰ ক্ষণ বুলি অভিহিত কৰিছে। শ্ৰীমোদীয়ে কৈছে যে খেলুৱৈগৰাকীৰ অবিশ্বাস্য দৃঢ়তা আৰু আত্মোৎসৰ্গৰ মনোভাৱে পদক বিজয়ত সহায় কৰিছে আৰু খেলুৱৈগৰাকীক তেওঁ অভিনন্দন জ্ঞাপন কৰে।

০০০০

সমাপ্ত